AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

## জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## মন্ত্ৰমুগ্ধ কৰা ভূতৰ আত্মাবোৰ

১ম চমূৱেল ২৮:৩-২৫

# কাহিনী...



চৌল ৰজা সম্পূৰ্ণ বিবুদ্ধিত পৰিছিল আৰু ভয়ত থৰথৰকৈ কপিছিল । ইস্ৰায়েলৰ সৰু আৰু দুৰ্ব্বল সৈন্যদলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সমগ্ৰ পেলেষ্টাইনৰ সৈনিক সকল একত্ৰিত হৈছিল । চৌলৰ মুখৰ পৰা বিননি ওলাইছিল, “যদি চমূৱেল ইয়াত থাকিলহেতেন, তেও মোক কলেহেতেন মই কি কৰিব লাগে” ।কিন্তু ইস্ৰায়েলৰ মহান ভাৱবাদী গৰাকীৰ কিছু বছৰৰ আগতে মৃত্যু হৈছিল ।

ভাটি বয়সীয়া এই সম্ৰাট জনে মৰে া-জীউকৈ আন ভাৱবাদী বা পুৰে াহিতিৰ পৰা কিছু পৰামৰ্শ বা মাৰ্গ-দৰ্শন পাবলৈ আপ্ৰান চেষ্টা কৰছিলি, কনি্তু ঈশ্বৰ যহিে াৱাই তওেক একে া জনে াৱা নাছলি । এজন যুৱক হচিাপে, চে ৗলে ঈশ্বৰৰ সতৈে নবিড়ি সম্বন্ধ ৰক্ষা কৰি আহছিলি । কনি্তু ৰাজপাটত বহাৰ পছিৰ পৰা, তওে নৰি্দ্দয় হছৈলি আৰু ঈশ্বৰৰ বাক্যৰ বৰিুদ্ধে বদি্ৰে াহ কৰছিলি । এটা সময়তটে া তওে এখন গাৱঁৰ আটাইবলিাক পুৰে াহিতকে হত্যা কৰছিলি । চে ৗল ৰজাই আকে াৰগে াজালকিয়ৈে ঈশ্বৰ যহিে াৱাৰ কথা শুনবিলৈ অমান্তি হছৈলি, আৰু এতয়িা তওে হতাশাত ভাগি পৰছিলি, ঈশ্বৰ যহিে াৱাই তওেক কে ানে া উত্তৰ দয়িা নাছলি ।

ততেয়িা চে ৗলে তওেৰ দাসবলিাকক কলে, “তে ামালে াকে মে াৰ অৰ্থে কে ানে া ভূত পে াহা তৰিে াতা বচিাৰা, মই তাইৰ ওচৰলৈ গৈ তাইক সুধমি” ১ম চমূৱলে ২৮:৭ । ঈশ্বৰে অতি স্পষ্টকৈ কে ানে া ভূত পে াহা বা গুণ-মন্ত্ৰ জনাবলিাকৰ পৰা পৰামৰ্শ নলবলৈ তওেৰ লে াকবলিাকক আজ্ঞা দি ৰাখছিলি (লবেীয়াপুস্তক ১৯:৩১; ২০:২৭), কনি্তু এতয়িা ঈশ্বৰৰ অসন্দগি্ধ দহিা-পৰামৰ্শৰ প্ৰতি চে ৗলৰ অকনমানহে মান ভক্তি আছলিগৈ ।

মৃত লে াকবলিাকৰ সতৈে যে াগাযে াগ স্হাপন কৰবি পাৰে বুলি দাবী কৰা এজনী তৰিে াতা অয়নি-দে াৰত বচিাৰি পে াৱাত, ৰজাই ছদ্মবশে ধৰি তাইক চাবলৈ গছৈলি । তওে সহৈ ভূত পে াহা জনীক কছৈলি, “মে াৰ বাবে চমূৱলেক তুলি আনা” । সহৈ ভূত পে াহা জনীয়ে, চমূৱলে ভাৱবাদীৰ নচিনিা চহেৰোৰ এজন ব্যক্তি দখো নদিয়িা পৰ্য্যান্ত মন্ত্ৰবান আৰু বশীকৰন মন্ত্ৰ মাতি গৈ আছলি আৰু অৱশষেত আৱিৰ্ভাৱ হে াৱা সহৈ চহেৰোটয়িে ৰজাক এটা সম্পূৰ্ণ নৰিাশাজনক বাৰ্ত্তা দছিলি । সি ভৱষি্যবানী কৰছিলি যে পছি-দনিাখনৰ যুদ্ধত চে ৗল আৰু তওেৰ তনিজিন পুত্ৰৰ মৃত্যু হব ।

পছিৰ দনিাখন চে ৗলৰ তনিজিন পুত্ৰ পলেষ্েটাইনবলিাকৰ হাতত মৰা পৰছিলি, আৰু তাৰ পাছত আঘাত-প্ৰাপ্ত আৰু হতাশাত ভাগি পৰা ৰজা জনে নজিৰহৈ তৰে াৱালৰ ওপৰত পৰি আত্ম-হত্যা কৰছিলি (১ম চমূৱলে ৩১:২-৪)। সহৈ ভূত পে াহা তৰিে াতা জনীৰ যে াগদেি চে ৗলৰ লগত কে ানে কথা পাতছিলি—ঈশ্বৰৰ এজন পুনৰুত্থতি ভাৱবাদী, নে ছদ্মবশেত এজন চয়তানে?



পাঠ নং-৯

# অধ্যয়ন

প্ৰতিটো বাইবেল পদ পঢ়ি খালী ঠাইবোৰ পুৰন কৰা ।

## ১. চৌলে দেখা পোৱা চেহেৰাটো সচাঁকৈয়ে চমূৱেল ভাৱবাদী আছিল নে?

**১ম ৰাজাৱলি ২২:২২** তাতে যিহোৱাই কলে, কিহেৰে তেও কলে, মই গৈ আটাই ভাৱবাদীবিলাকৰ মুখত মিছা কওতা [redacted]

**প্ৰকাশিতবাক্য ১৬:১৪** সিহত [redacted], আচৰিত চিন দেখুৱাওতা.

## ২. মৃতলোকবিলাকে আকৌ আহি জীৱিতবিলাকৰ সৈতে আলাপ কৰে নে বা একেলগে নিতৌ ঘুৰি ফুৰে নেকি?

**ইয়োব ১৪:২১** তেওৰ পুতেকবিলাক মৰ্য্যদাৱন্ত হলে, তাক তেও [redacted] আৰু সিহতৰ হীনাৱস্হা হলেও, তেও তাৰ গম নাপায় ।

**উপদেশক ৯:৫, ৬, ১০** কিয়নো জীৱিত লোকবিলাকে মৰিম বুলি জানে; কিন্তু মৃত লোকবিলাকে [redacted] । [redacted], আৰু সিহতে সিবিলাকৰ শ্ৰমৰ ফল আৰু নাপায় ; কিয়নো সিহতৰ স্মৃতি লুপ্ত হয় । সিহতৰ [redacted], সিহতৰ [redacted], আৰু সিহতৰ অসূয়া নষ্ট হৈ গল, আৰু সূৰ্য্যৰ তলত (ইহ জনমত) কৰা সকলো কাৰ্য্যত সিহতে কোনো কালেও আৰু ভাগ নাপাব । ... সেই চিয়োলত (মৈদামত)কোনো কাৰ্য্য, কি কল্পনা, কি বিদ্যা, [redacted] একোৱেই নাই ।

**টোকা:** আলাপো নকৰে ঘুৰিও নুফুৰে! এজন মৃত ব্যক্তিয়ে একো নকৰে আৰু পৃথিবীত কি ঘটি আছে তাৰ একো গম নাপায় ।

**গীতমালা ১১৫:১৭** মৃত ব্যক্তিয়ে ঈশ্বৰৰ প্ৰশংসা নকৰে
**গীতমালা ৬:৫** মৃত্যুত কোনো সোৱৰণ নাথাকে
**ইয়োব ৭:১০** তেও আৰু কোনো কালেও নিজৰ ঘৰলৈ উভটি নাহে
**যিচয়া ৩৮:১৮** মৃতজনে আপোনাৰ প্ৰশংসা কৰিব নোৱাৰে
**গীতমালা ১৪৬:৪** তেওৰ আচনিবোৰ নষ্ট হল ।

## ৩. প্ৰকাশিতবাক্যৰ পুস্তক থনৰ মতে, মৃত্যুৰ চাবিবোৰ কাৰ হাতত আছে?

**প্ৰকাশিতবাক্য ১:১৮** মই প্ৰথম আৰু শেষ,আৰু জীয়াই থকা [redacted]; মই [redacted] হলো, আৰু চোৱা অনন্ত কাললৈকে জীয়াই আছো; আৰু মৃত্যুৰো পৰলোকৰো চাবিবোৰ মোৰ হাতত আছে ।

**টোকা:** বাইবেল অতি স্পষ্ট । একমাত্ৰভাৱে যীচুৰ হাততহে মৃত্যুৰ চাবিবোৰ আছে । মৃত্যুৰ সংক্ৰান্ত থকা আমাৰ আটাইবিলাক প্ৰশ্নৰ উত্তৰ পাবলৈ আমি তেওঁৰ বাক্যৰ ওচৰ চপা উচিত ।

## ৪. আদিতে ঈশ্বৰে মানুহক কেনেকৈ সৃষ্টি কৰিছিল?

**আদিপুস্তক ২:৭** আৰু ঈশ্বৰে মাটিৰ [redacted] মানুহ নিৰ্ম্মান কৰি, তাৰ নাকত [redacted] [redacted] বায়ু সুমুৱাই দিলে; তাতে মানুহ জীয়া প্ৰাণী হল ।

**টোকা:** সৃষ্টিত দুটা ঘটনা ঘটিছিল (১) ঈশ্বৰে মানুহক ধূলিৰ পৰা বা পৃথিবীৰ পৰা নিৰ্ম্মান কৰিছিল আৰু (২) তেওঁ তাৰ নাকত প্ৰাণ-বায়ু ফুঁদি সুমুৱাই দিছিল । এইদৰে মানুহ এটা জীয়া প্ৰাণী হৈছিল ।

## ৫. মৃত্যুত কি ঘটে?

**উপদেশক ১২:৭** তেতিয়া [redacted] আগৰ দৰে মাটিত লীন হৈ যায় আৰু [redacted] ঈশ্বৰলৈ উলটি যায় যি জনায় ইয়াক প্ৰদান কৰিছিল (কেজিভি)।

**টোকা:** মৃত্যুত যি ঘটে সেইটো হৈছে সৃষ্টিত কি ঘটিছিল তাৰ ওলোটা । শৰীৰটো মাটিলৈ উভটি যায় আৰু আত্মা অৰ্থাত প্ৰাণ-বায়ু সেই জনা ঈশ্বৰলৈ উভটি যায় যি জনাই ইয়াক প্ৰদান কৰিছিল । বাইবেলে অতি স্পষ্টকৈ শিকাইছে যে, ঈশ্বৰৰ ওচৰলৈ উভটি যোৱা আত্মা টো মাত্ৰ প্ৰাণ-বায়ু হে তাৰ বাদে আন একো নহয়, যিটোক ঈশ্বৰে আদিতে মানুহৰ নাকত সুমুৱাই দিছিল (যাকোব ২:২৬; ইয়োব ২৭:৩; ইয়োব ৩৩:৪) গীতমালা ১০৪:২৯, ৩০ পদ দুটাই কৈছে যে: ..." তুমি সিহতৰ নিশ্বাস নিলেই,সিহত মৰি পুনৰাই নিজ ধূলিলৈ ওভটে । তুমি তোমাৰ আত্মা পঠালেই সিহতৰ সৃষ্টি হয়"

## ৬. মৰিলে সিহত কলৈ যায় বাৰু?

**ইয়োব ২১:৩২** তথাপি তাক [redacted] নিয়া হব, আৰু লোকে তাৰ মৈদামত পৰ দি থাকিব ।

**যোহন ৫:২৮, ২৯** [redacted] থকা সকলোৱে তেওঁৰ মাত শুনি ... ওলাব ।

**টোকা:** মৃত ধাৰ্ম্মিক আৰু অধাৰ্ম্মিক উভয়ে সিহতৰ মৈদামত আছে আৰু তেওঁবিলাকে সিহতৰ মৈদামৰ পৰা ওলাই আহিবলৈ কোৱা যীচুৰ মাত শুনিব আৰু ওলাই আহি পুৰস্কাৰ নতুবা শাস্তি পাব ।

## ৭. বাইবেলে স্পষ্টকৈ কৈছে যে দায়ুদ ৰজা পৰিত্ৰাণ পালে, তেওঁ এতিয়া স্বৰ্গত আছে নেকি?

**পাচনিকৰ্ম ২:২৯** হে ভাইসকল, পিতৃকুলপতে দায়ুদৰ কথা তোমালোকৰ আগত স্পষ্টকৈ কব পাৰো যে, তেওঁ [redacted], আৰু তেওঁক [redacted] থোৱা হল, আৰু তেওঁৰ সেই আজিলৈকে আমাৰ মাজত আছে ।

# পাঠ নং-৯

**পাচনিকৰ্ম ২:৩৪** কিয়নো দায়ুদ স্বৰ্গলৈ [redacted]

**টোকা:** স্বৰ্গত নাই! পাচনি পিতৰে অতি স্পষ্টকৈ উল্লেখ কৰিছে যে, দায়ুদ মৰিল আৰু তেওক মৈদামত ৰখা হল-তেও স্বৰ্গত জীয়াই নাই থকা । ইয়াৰোপৰি ইব্ৰী ১১:৩২ পদত স্পষ্ট কৰা হৈছে যে, সৰ্ব্বযুগৰ আটাইবিলাক বিশ্বাসী সকলক এতিয়াও পুৰস্কৃত কৰা হোৱা নাই, বৰং সকলোকে একেলগে পুৰস্কৃত কৰা হব (৩৯, ৪০ পদ)।

## ৮. কিন্তু এইটো সত্য নহয় জানো যে আত্মাৰ মৰন নাই আৰু মাত্ৰ শৰীৰটোৰহে মৰন হয়?

**যিহিস্কেল ১৮:৪** যি প্ৰানীয়ে (আত্মাই [redacted] কৰে, সেই আত্মাহে [redacted] (কেজিভি)

**ইয়োব ৪:১৭** এজন [redacted] মানুহ জানো ঈশ্বৰতকৈ অধিক ধাৰ্ম্মিক হব পাৰে

**১ম তীমথীয় ৬:১৫, ১৬** [redacted] পৰাক্ৰমী জনা, ৰজাৰো ৰজা, প্ৰভুৰো [redacted], অমৰতাৰ একমাত্ৰ অধিকাৰী

**টোকা:** আমি এটা এটা আত্মা আৰু আত্মা মৰে । মানুহ মৰণশীল । একমাত্ৰ ঈশ্বৰেহে অমৰণশীল । আত্মাৰ মৰণ নাই বুলি কোৱা উপদেশৰ যি বহল বিশ্বাস, তেনেকুৱা ধৰনৰ অমৰণশীল আত্মা বাইবেলত বিচাৰি পোৱা নাযায় । এনেকুৱা ধৰনৰ উপদেশ মানুহে বনোৱাহে ।

## ৯. ধাৰ্ম্মিক সকলক কেতিয়া অমৰতা প্ৰদান কৰা হব?

**১ম কৰিন্হীয়া ১৫:৫১-৫৩** কিন্তু শেষৰ [redacted], এক তিলেকত, চকুৰ পচাৰতে [redacted] হম।কিয়নো তূৰী বাজিব; তাতে মৃতবিলাক অক্ষয়ণীয় হৈ [redacted] হব ... মৃত্যুৰ পাত্ৰই অমৰতাক পিন্ধিব লাগিব ।

**১ম থিচলনীকীয়া ৪:১৬** কাৰন জয়ধ্বনি, প্ৰধান স্বৰ্গদূতৰ মাত, আৰু ঈশ্বৰৰ তূৰী-বাদ্যে সৈতে প্ৰভু নিজে নামি আহিব; আৰু খ্ৰীষ্টৰ আশ্ৰয়ত [redacted] লোকবিলাকেই প্ৰথমে [redacted];

**টোকা:** হয়, পুনৰোত্থানৰ সময়ত ধাৰ্ম্মিকবিলাকক অমৰতা প্ৰদান কৰা হব । অধাৰ্ম্মিক সকলে ইয়াক কেতিয়াও নাপাব ।

## ১০. বাইবেলে মৃত্যুক বাৰে বাৰে কিহৰ লগত তুলনা কৰিছে?

**যোহন ১১:১১, ১৪** আমাৰ বন্ধু লাজাৰ [redacted] গৈছে ... লাজাৰ মৰিল ।

**মথি ২৭:৫২** আৰু মৈদামবোৰ মুকলি হলত, [redacted] পবিত্ৰ লোকৰ অনেক শ তোলা হল

**২য় চমূৱেল ৭:১২** তোমাৰ আয়ুস সম্পূৰ্ণহলে, যেতিয়া তুমি নিজ ওপৰ পিতৃবিলাকৰ লগত [redacted] হবা

**১ম থিচলনীকীয়া ৪:১৪** ঈশ্বৰে যীচুৰ আশ্ৰয়ত [redacted] হোৱাবিলাকক‌ো সেইদৰে লগত লৈ যাব

**টোকা:** বাইবেলে প্ৰায়েই মৃত্যুক টোপনি যোৱা বুলি কৈছে । মৃত্যু হৈছে সম্পূৰ্ণ অচেতন অৱস্হাত থকা এটা অৱস্হা, যি কালচোৱাৰ সময়ত ১৫ মিনিট অথবা এটা হাজাৰ বছৰীয়া সময়ৰ লগত দেখাত একে । মৃতবিলাক তেওবিলাকৰ মৈদামত সেই তেতিয়ালৈ মাথো শুই থাকে যেতিয়ালৈকে পুনৰুত্থান নহয় । সেই সময়ত যীচুৰ দ্বাৰাই সকলোৱেই পুনৰোত্থিত হব ।মৰা মানুহৰ আত্মাবোৰ স্বৰ্গৰ দূতসকলৰ দৰে বা যোগাযোগ কৰিব পৰা ধাৰ্ম্মিক আত্মা বুলি শিকোৱাত, শাস্ত্ৰ-বাক্যৰ আধাৰিত নহয় ।

## ১১. যিহেতু যাদুকৰ, গুণমন্ত্ৰ জনা, ডাইনি, আৰু জীৱাত্মত বিশ্বাস কৰা লোকবিলাকে মৃতলোকবিলাকৰ সৈতে সংযোগ স্হাপন কৰিব নোৱাৰে, তেন্তে সিহতে কাৰ সৈতে সংযোগ স্হাপন কৰি আহিছে?

**প্ৰকাশিতবাক্য ১৬:১৪** সিহত ভূতবোৰৰ আত্মা, আচৰিত [redacted] দেখুৱাওতা.

**টোকা:** স্বৰ্গৰ দূতসকলক সেৱা-সুশ্ৰুষাকাৰী আত্মা বুলি কোৱা হয় (ইব্ৰী ১:১৪) যি সকলে পৃথিবীত থকা লোকসকলত সহায় আৰু পৰিচৰ্যা কৰে । যি দূতবিলাকক চয়তানৰ সৈতে স্বৰ্গৰ পৰা বহিস্কাৰ কৰা হৈছিল (প্ৰকাশিতবাক্য ১২:৭-৯) সিহতবোৰ হৈছে দুষ্ট আত্মা, যি আচৰিত কাৰ্য্য কৰাৰ দ্বাৰাই মানুহক প্ৰবঞ্চনা কৰে (প্ৰকাশিতবাক্য ১৬:১৩, ১৪)। সিহতে “মিছাৰ সকলো পৰাক্ৰম, আচৰিত চিন আৰু অদ্ভূত লক্ষণ ব্যৱহাৰ কৰে” (২য় থিচলনীকীয়া ২:৯) আৰু এনেকি, “মানুহৰ সাক্ষাতে স্বৰ্গৰ পৰা পৃথিবীলৈ অগ্নি নমায়” (প্ৰকাশিতবাক্য ১৩:১৩) । প্ৰেতাত্মা পূজকবিলাকে যেতিয়া মৰা মানুহৰ আত্মাৰ সৈতে সম্পৰ্ক স্হাপন কৰা বুলি দাবী কৰে, তেতিয়া সিহতে প্ৰকৃততে চয়তানৰ সৈতে বহিস্কৃত পতিত দূতবিলাকৰ সৈতেহে সম্পৰ্কলৈ আহে (যিচয়া ৮:১৯)।

## ১২. মৰা মানুহৰ আত্মাবোৰ আচলতে জীয়াই থকা বুলি আমি বিশ্বাস কৰাটোক চয়তানে কিয় বিছাৰে?

**মথি ২৪:২৪, ২৫** কিয়নো ভাৰিকোৱা,খ্ৰীষ্ট আৰু ভাৰি কোৱা ভাৱবাদীবোৰ ওলাই, এনে [redacted] [redacted] আৰু অদ্ভূত লক্ষণ দেখুৱাব যে, সাধ্য হলে, [redacted] লোকবিলাকক‌ো [redacted] ।

**টোকা:** মানৱ জাতিটোক চয়তানে কোৱা প্ৰথম মিছাটো আছিল, “দৰাচলতে তোমালোকে নমৰা” (আদিপুস্তক ৩:৪)। সি বিছাৰে, মানুহবিলাকে যেন মৰা মানুহৰ আত্মাবোৰ জীয়াই থকা বুলি বিশ্বাস কৰে যাতে তাৰ দূতবিলাকে ইতিমধ্যে মৃত্যু হোৱা সাধু সন্ত, ভাৱবাদী, আৰু ধাৰ্ম্মিক চলাওতা সকলৰ বেশত ছদ্মবেশ ধৰিব পাৰে আৰু এনেকি সি যেন এজন দীপ্তিময় স্বৰ্গদূতৰ ছদ্মবেশ লব পাৰে (২য় কৰিন্হীয়া ১১:১৩-১৫)। এইদৰে সি অযুত অযুত লোকক প্ৰবঞ্চনা কৰে । এই দুষ্ট আত্মাবোৰক ব্যৱহাৰ কৰা কাৰ্য্যকে প্ৰেতাত্মাবাদ বুলি কোৱা হয় । ই দুই ধৰনৰ বিশ্বাসৰ ওপৰত আধাৰিত (১) মৃতবিলাক জীয়াই আছে, আৰু (২) সিহতে আপোনাৰ সৈতে অথবা আপুনি সিহতৰ সৈতে সংযোগ স্হাপন কৰিব পাৰে । এইটো হৈছে চয়তানৰ আটাইতকৈ অধিক

ক্ষতিকাৰক শিক্ষা । তথাপিও আজি প্ৰায় সমগ্ৰ পৃথিবীৰ মানুহেই ইয়াক বিশ্বাস কৰে । অয়িন-দোৰৰ ভূত পোহা তিৰোতা জনীয়ে চমূৱেলক তুলি অনা নাছিল, বৰং তাই চমূৱেলৰ ছদ্মবেশ লোৱা এটা দুষ্ট আত্মাকহে দেখিছিল ।

## ১৩. অন্তিম দিনবিলাকত চয়তানে ব্যৱহাৰ কৰা এই দুষ্ট প্ৰেতাত্মাবোৰৰ প্ৰভাৱ কিমান অধিক ফলপ্ৰসু হব?

**প্ৰকাশিতবাক্য ১৮:২৩** কাৰন তোমাৰ মায়াকৰ্ম্মৰ দ্বাৰাই [redacted] জাতিবিলাক [redacted] হব ।

**প্ৰকাশিতবাক্য ১৮:২** বাবিল মহা-নগৰ পৰিল, পৰিল, আৰু ভূতবিলাকৰ বাসস্হান, আৰু [redacted] [redacted] [redacted] কয়দখানা, আৰু আটাই অশুচি ঘিণলগীয়া চৰাইৰ পিজৰা হল ।

**প্ৰকাশিতবাক্য ১২:৯** সেই মহা-নাগক, অৰ্থাত দিয়াবল আৰু চয়তান নামেৰে বিখ্যাত হোৱা পুৰনি সাপে [redacted] জগতৰ ভ্ৰান্তি জন্মায়

**টোকা:** চয়তানে তাৰ দুষ্ট আত্মাবোৰৰ যোগেদি কৰা আচৰিত কাৰ্য্যৰ (মায়াকৰ্ম্মৰ) দ্বাৰাই প্ৰকাৰন্তেৰে সমগ্ৰ জগত খনকেই প্ৰবঞ্চনা কৰিব ।

## ১৪. দুষ্ট আত্মাবিলাকৰ দ্বাৰাই কৰা এনে আচৰিত কাৰ্য্যবোৰক ঈশ্বৰে কেনেদৰে লয়?

**লেবীয়াপুস্তক ২০:২৭** যি পুৰুষ কি স্ত্ৰীয়ে [redacted] । [redacted], বা গুণী হব, তাৰ [redacted] অৱশ্যে হব

**১ম তীমথিয় ৪:১** উত্তৰকালত কিছুমান মানুহ [redacted] পৰা [redacted] পৰিব; ভ্ৰান্তিজনক আত্মাত, আৰু ভূতবোৰৰ শিক্ষাত তেওবিলাকে মন দিব ।

**ইফিচীয়া ৫:১১** [redacted] [redacted] কাৰ্য্যবোৰৰ ভাগী নহবা

**গালাতীয়া ৫:১৯-২১** কিন্তু মাংসৰ কাৰ্য্যবোৰ জনাজাত; সেয়ে, ব্যভিচাৰ, অশুচিকাৰ্য্য, লম্পটত-আচৰন, দেৱপূজা, [redacted], নানা-বিধ শত্ৰুতা, বিবাদ, ঈৰ্ষা, খং-ৰাগ, বিৰোধ, বিভেদ, নানা মত, নৰহত্যা, অসুয়া, মত্ততা, ৰঙ্গৰস আৰু এইবোৰৰ নিচিনা আন আন কাৰ্য্য ।

**প্ৰকাশিতবাক্য ২১:৮** কিন্তু যিবিলাক ... মায়াবী ... [redacted] আৰু গন্ধকেৰে জ্বলি থকা [redacted] নিজ নিজ ভাগ পাব, এয়ে দ্বিতীয় মৃত্যু ।

**টোকা:** মোচিৰ দিনত ঈশ্বৰে আদেশ দিছিল যে, সকলো মায়াবী বা মায়াকৰ্ম্ম কৰা সকলক যেন হত্যা কৰা হয় । আজি তেও জোৰদি কৈছে যে মায়াকৰ্ম্ম হৈছে এটা মাংসিক কাৰ্য্য, যাৰ বাবে মানুহ ধ্বংশ হব । তেও সতৰ্ক কৰি দিছে যে, আপুনি যেতিয়া মায়াকৰ্ম্মৰ সৈতে লেটিপেতি হয় আপুনি বিশ্বাস ত্যাগ কৰিছে, আৰু তেও আমাক কৈছে যে, আটাইবিলাক মায়াকৰ্মী বা মায়াবী অগ্নিৰ সৰোবৰত দ্বিতীয় মৃত্যু ভুগিব লাগিব ।

## ১৫. ঈশ্বৰে তেওৰ লোকবিলাকক কি গৌৰৱময় ক্ষমতা দান কৰিছে?

**ফিলিপীয়া ৩:১০** তেওৰ [redacted] শক্তি ... যেন জানিবলৈ পাও ।

**টোকা:** শুদ্ধ জীৱন যাপন কৰিবলৈ যীচুৱে আমাক সেই একে শক্তিকে প্ৰদান কৰিছে যি শক্তিয়ে তেওক মৃত্যুৰ পৰা পুনৰুত্থিত কৰিছিল । বাহ: কি আচৰিত! আমালৈ প্ৰদান কৰা তেনেকুৱা এক অবিশ্বাস্য শক্তিক আমি নোপোৱাকৈ কনেকৈ থাকিব পাৰো–আৰু তাৰ বাবে আমি মূল্যও ভৰিব নালাগে? যীচুৱে আমালোকক প্ৰেম কৰে কাৰনেই, তেও আমাক গুৰু গম্ভীৰভাৱে দুষ্ট আত্মাবিলাকৰ শক্তি আৰু পৰাক্ৰম কাৰ্য্যবোৰৰ পৰা আতৰি থাকিবলৈ সতৰ্ক কৰিছে আৰু তেওৰ ৰাজ্যৰ উত্তৰাধিকাৰী হবলৈ আমালোকক প্ৰস্তুত কৰিবলৈ প্ৰয়োজন হোৱা ঐশ্বৰিক পৰাক্ৰমৰ কাৰ্য্যত নিজকে সোধাই দিবলৈ কৈছে (ফিলিপীয়া ১:৬)।

# আপোনাৰ সহাৰি

জগতৰ আটাইবিলাক ঘটনা যে ঈশ্বৰৰ নিয়ন্ত্ৰনত আছে, তাক আপুনি চিনি পায় আপুনি আপোনাৰ জীৱনটোক সম্পুৰ্ণভাৱে তেওৰ নিয়ন্ত্ৰনত এৰি দিবলৈ ইচ্ছা কৰিব নে?

**উত্তৰ:** [redacted]

# সংযোজন

এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়ণৰ বাবে অধিক তথ্যৰ যোগান ধৰিব ।

## ক্ৰুচৰ ওপৰত ওলমি থকা সেই চোৰটো

"তুমি আজিয়েই পৰম দেশত মোৰ সঙ্গী হবা" (লূক ২৩:৪৩), বুলি তেও কওতে যীচুৱে ক্ৰুচত থকা সেই চোৰটোক ততালিকে স্বৰ্গলৈ নিয়াৰ প্ৰতিজ্ঞা কৰিছিল নেকি? লূক ২৩:৪৩ পদত যীচুৱে কোৱা কথাষাৰৰ অৰ্থটোক, এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্নৰ শাস্ত্ৰ সন্মত উত্তৰৰ দ্বাৰাই নিৰ্ণয় কৰিব পাৰি: যীচু নিজেই সেইদিনা স্বৰ্গলৈ গৈছিল জানো?

শাস্ত্ৰবচনৰ অনুসৰিতো যোৱা নাছিল । পুনৰুত্থানৰ দিনা, যেতিয়া তেওঁ মৰিয়মক মৈদামৰ বাগিছাখনত লগ পাইছিল, তেওঁ কোৱা কথাষাৰ এনেকুৱাহে আছিল: "তুমি মোক নুচুবা কিয়নো মোৰ পিতৃৰ ওচৰলৈ এতিয়ালৈকে মই উঠা নাই" ।যোহন ২০:১৭ । যীচু শুকুৰবাৰে পৰম দেশলৈ যাব পৰা নাছিল যদি তেওঁ ৰবিবাৰলৈকে পিতৃৰ ওচৰলৈকে উঠা নাছিল !

তেন্তে যীচুৱে কিয় কৈছিল, "তুমি আজিয়েই পৰম দেশত মোৰ সঙ্গী হবা" বুলি? চকুৰ আগত দেখা দিয়া এই সমস্যাটো ততালিকে নোহোৱা হয় যদি আমি জানো যে অৰিজিনেল গ্ৰীক পাণ্ডুলিপিত ছেদ-প্ৰকৰণ বা বিৰাম চিহ্ন দেওন নাছিল । কমা আৰু ছেদ বোৰক অনুবাদক সকলৰ দ্বাৰাইহে শাস্ত্ৰবাক্যত ব্যৱহাৰ কৰা হৈছিল, এওলোকে এইবোৰক যত ঠিক হব বুলি নিজে ভাবি লৈছিল তাতে বহুৱাই দিছিল । আৰু বিশ্বাস কৰক বা নকৰক, এটা মাত্ৰ কমাই এটা সম্পূৰ্ণ বাক্যৰ অৰ্থ সলনি কৰি দিব পাৰে ! লূক ২৩:৪৩ পদত প্ৰভুৱে কোৱা কথাষাৰ এনেকৈহে পঢ়া উচিতঃ "মই তোমাক স্বৰূপকৈ আজিয়েই কও, তুমি পৰম দেশত মোৰ সঙ্গী হবা" । যীচুৱে প্ৰকৃততে কোৱা কথাষাৰ এইটোহে আছিল । আজি, যেতিয়া সকলোবোৰ হেৰাই গল যেন বোধ হৈছে; আজি, যেতিয়া মোক এজনা প্ৰভু বা ৰজা যেন দেখা নাই, আৰু এনেকি মোৰ নিজৰ শিষ্যবিলাকো মোক এৰি পলাই যোৱাৰ পিছতো; আজি, যদিও মোৰ হাতদুখন ক্ৰুচত গজাল বিদ্ধ হৈ আছে, এনে অৱস্হাতো মই তোমাক ৰক্ষা কৰিব পাৰো !

এদিন সেই চোৰটো, খ্ৰীষ্টক গ্ৰহন কৰা আন বিলাকৰ সৈতে একেলগে পুনপুত্থানৰ প্ৰতিজ্ঞাৰ দাবীদাৰ হব আৰু যীচুৰ সৈতে পৰমদেশত বাস কৰিব ।

## বাইবেলত প্ৰাণ আৰু নিশ্বাসৰ অৰ্থ কি বাৰু?

ইয়োব ২৭:৩ পদত কোৱা মতে এজন ব্যক্তিৰ "প্ৰাণ" আৰু "নিশ্বাস" দুয়োটাই একে । ইয়োবে আকো উত্তেখ কৰিছে যে, এই "প্ৰাণ", বা "নিশ্বাস" তেওঁৰ নাকত আছে । অনুগ্ৰহ কৰি মনত পেলাওক যে সৃষ্টি কৰা সময়ত ঈশ্বৰে আদমৰ নাকত "প্ৰাণ-বায়ু" (নিশ্বাস) সুমুৱাই দিছিল (আদিপুস্তক ২:৭)। গতিকে এজন ব্যক্তিৰ যেতিয়া মৃত্যু ঘটে ঈশ্বৰলৈ উলটি যোৱা "আত্মাটো" হৈছে "প্ৰাণ-বায়ু"-দেহ-মুক্ত এটা আত্মা নহয় । মৃত্যুত এটা দেহ-মুক্ত আত্মা ঈশ্বৰলৈ উলটি যোৱাৰ কথা বাইবেলে কেতিয়াও কোৱা নাই ।

## এজন ব্যক্তিৰ যেতিয়া মৃত্যু ঘটে আত্মাটো কলৈ যায় বাৰু?

সৃষ্টিৰ সময়ত, এটা আত্মা হবলৈ দুটা বস্তুৰ যোগ হৈছিল- শৰীৰ আৰু প্ৰাণ-বায়ু । যেতিয়ালৈকে এই দুটা বস্তুৰ যোগ নহয়, এটা আত্মাৰ অস্তিত্বই নাথাকে । মৃত্যুত, এই দুটা বস্তু পৃথক হৈ পৰে । শৰীৰটো মাটিৰ ধুলিলৈ উভটি যায়, আৰু প্ৰাণবায়ু ঈশ্বৰলৈ উভটি যায় । আত্মা কলৈকো নাযায়; ই মাথোন অস্তিত্বহীন হৈ পৰে ।


©2023 Amazing Facts India
All Rights Reserved Printed in India
**+91 916 916 4480 | AFTV.in**
For more uplifting, life changing resources visit **Bookstore.AFTV.in**

ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
ASSAMESE